# অষ্টম অসম প্ৰিমিয়াৰ ক্লাব চেম্পিয়নশ্বিপ ২০২৫-২৬

অষ্টম অসম প্ৰিমিয়াৰ ক্লাব চেম্পিয়নশ্বিপৰ মধ্য অসম মণ্ডলৰ প্ৰথম ৰাউণ্ডৰ নগাঁৱত অনুষ্ঠিত চূড়ান্ত খেলখনত ডিফেন্ডিং চেম্পিয়ন ষ্টাৰ স্প'ৰ্টিং ক্লাবে বিজয়ীৰ সন্মান অক্ষুণ্ণ ৰাখে। এই জয়েৰে ষ্টাৰ স্প'ৰ্টিং ক্লাবে একেৰাহে আঠবাৰ ফাইনেলত পদাৰ্পণ কৰাৰ লগতে একেৰাহে তৃতীয়বাৰৰ বাবে চেম্পিয়নৰ খিতাপ দখল কৰিবলৈ সক্ষম হয়।

চূড়ান্ত খেলখনত ষ্টাৰে প্ৰৱাহ গোষ্ঠীক চাৰি উইকেটত পৰাস্ত কৰে। কালিৰ সাত উইকেটত ২১৭ ৰানৰ পিচৰ পৰা আজি পুৱা খেল আৰম্ভ কৰি দলটোৱে ২৩৯ ৰান সংগ্ৰহ কৰি প্ৰথম ইনিংছত ১২০ ৰানৰ অগ্ৰগতি লাভ কৰে। এই ইনিংছত ৰোমাৰিঅ' ম'মিন শৰ্মাই ৯৭ ৰান কৰি আউট হয়।

প্ৰৱাহ গোষ্ঠীয়ে দ্বিতীয় ইনিংছত গৌৰৱ শইকীয়াৰ ৫১, ৱাচিম উল্লাহ খানৰ ৩৫ আৰু গোপাল কৃষ্ণ ঘোষৰ ৩২ ৰানৰ সহায়ত মুঠ ১৮০ ৰান সংগ্ৰহ কৰে। ব'লিঙত ষ্টাৰ স্প'ৰ্টিং ক্লাবৰ দেৱজিত বৰুৱাই তিনিটা উইকেট দখল কৰাৰ লগতে ৰোমাৰিঅ', শেখৰজ্যোতি বৰ্মন আৰু ৰণিত আখতাৰে দুটাকৈ উইকেট লাভ কৰে।

প্ৰত্যুত্তৰত ৬১ ৰানৰ লক্ষ্য লৈ খেলিবলৈ নামি ষ্টাৰ স্প'ৰ্টিং ক্লাবে ৰোমাৰিঅ'ৰ অবিজিত ২৪ ৰানৰ সহায়ত ছটা উইকেট হেৰুৱাই ৬৩ ৰান সংগ্ৰহ কৰি চূড়ান্ত খেলখনত জয় সাব্যস্ত কৰে।

## 8th Assam Premier Club Championship 2025-26

In the final match of the first round of the Central Assam Zone of the 8th Assam Premier Club Championship, held at Nagaon, defending champions Star Sporting Club successfully retained their title. With this victory, Star Sporting Club reached the final for the eighth consecutive time and secured the championship title for the third time in a row.

In the final, Star Sporting Club defeated Pravah Group by four wickets. Resuming play this morning from their overnight score of 217 for seven wickets, Star Sporting Club went on to score 239 runs, gaining a first-innings lead of 120 runs. Romario Momin Sharma was dismissed after scoring an impressive 97 runs.

In their second innings, Pravah Group were bowled out for 180 runs, with notable contributions from Gaurav Saikia (51), Wasim Ullah Khan (35), and Gopal Krishna Ghosh (32). For Star Sporting Club, Devajit Barua claimed three wickets, while Romario, Shekharjyoti Barman, and Ranit Akhtar picked up two wickets each.

Chasing a modest target of 61 runs, Star Sporting Club reached 63 runs for the loss of six wickets, with Romario remaining unbeaten on 24, to clinch victory in the final match.